INDIAN NATIONAL CONGRESS

Tel:0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

RAJIV BHAWAN
Guwahati-Shillong Road (G.S. ROAD), GUWAHATI-781005

**Media Department**

**মাহমৰাত বাগানে বাগানে অভিযানৰ ৰাজহুৱা সভাত বিজেপিৰ স্বৰূপ উদঙালে ভূপেন বৰাই**

**৪০ হাজাৰ কোটিৰ বাবে তৰুণ গগৈক সমালোচনা কৰিছিল হিমন্তই**

**এতিয়া মুখ্যমন্ত্ৰী হিমন্তই অসমক জাপি দিছে ১ লাখ ৪০ হাজাৰ কোটিৰ ঋণৰ বোজা**

**খিলঞ্জীয়াৰ ঘৰ ভঙা বিজেপিয়ে নদী গৱেষণা কেন্দ্ৰৰ মাটি দখল কৰি নিৰ্মাণ কৰিছে বাজপেয়ী ভৱন**

**ডিব্ৰুগড়, ৬ ছেপ্টেম্বৰঃ** বাগানে বাগানে যাত্ৰা অব্যাহত থকাৰ মাজতে আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই মাহমৰা সমষ্টিত এখন দলীয় কৰ্মী সভাত অংশগ্ৰহণ কৰে। বিজেপি চৰকাৰৰ শেহতীয়া স্বেচ্ছাচাৰী নীতিক কঠোৰ ভাষাৰে সমালোচনা কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে অসমৰ জাতি, মাটি, ভেটি এতিয়া একেবাৰে সুৰক্ষিত নহয়। অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণত চূড়ান্ত ব্যৰ্থ এইখন চৰকাৰে বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন ধোৱাচাঙত উঠাই ৰাখি 'কা' আইন ৰূপায়ণ কৰি অসমত বিদেশীৰ বোজা জাপি দিলে। ৬ জনগোষ্ঠীক জনজাতিকৰণৰ নামত প্ৰতাৰণা কৰিলে। ডাবোল ইঞ্জিনৰ চৰকাৰখনে অসমৰ জাতি-জনগোষ্ঠীসমূহক বাৰে বাৰে প্ৰতাৰণা কৰি আহিছে বুলি উল্লেখ কৰি ভূপেন বৰাই কয় যে অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ বুনিয়াদী সমস্যাসমূহ সমাধান কৰিব নোৱাৰিলে বুলি উল্লেখ কৰি তেওঁ কয় দুই-এটা ৰাস্তা বাগানৰ ভিতৰত ভাল হৈছে, কিন্তু শ্ৰমিকৰ পেটত নাস্তা নাই। এতিয়াও বাগানৰ কৰ্মচাৰীয়ে মাহেকত ২৪০০ টকা উপাৰ্জন কৰে। কাঠফুলা খাই এতিয়াও মানুহ মৰি আছে। চাকৰিৰ নামত বিজেপিৰ বাজপেয়ী ভৱনত হোলছেলত বজাৰ খুলিছে বুলিও বৰাই অভিযোগ কৰে। ওপৰ মহলৰ লোকসকলক এতিয়ালৈকে কিয় গ্ৰেপ্তাৰ কৰিব পৰা নাই বুলি উল্লেখ কৰি বৰাই কয় যে বিজেপি হ'ল মানুহৰ মূৰত সমস্যা জাঁপি দিয়া এখন চৰকাৰ। অসমৰ নতুন প্ৰজন্মৰ ভৱিষ্যত বিজেপিৰ ওচৰত মুঠেই সুৰক্ষিত নহয় বুলি বৰাই উল্লেখ কৰে। সভাত বিৰোধী

দলৰ নেতা দেৱব্ৰত শইকীয়া, উপ-দলপতি ৰকিবুল হুছেইন, প্ৰাক্তন সাংসদ ৰাণী নৰহ, সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্য প্ৰমুখ্যে কংগ্ৰেছী নেতাসকল উপস্থিত থাকে। পৰৱৰ্তী সময়ত বৰাৰ নেতৃত্বত এটা দলে মাহমৰাৰ শিঙৰীজান চাহ বাগিচালৈ গৈ চাহ শ্ৰমিকসকলৰ মনৰ বুজ লোৱাৰ লগতে মত বিনিময় কৰে। বৰাই ইয়াৰ পূৰ্বে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক কঠোৰ ভাষাৰে সমালোচনা কৰি অসমৰ ৰাইজক ১ লাখ ৪০ হাজাৰ কোটি টকাৰ ঋণৰ বোজাত ডুবাইছে বুলি উল্লেখ কৰে। বৰাই কয়, তৰুণ গগৈ মুখ্যমন্ত্ৰী হৈ থকা সময়ত পূৰ্বৰ চৰকাৰৰ ধাৰৰ সৈতে মিলাই ৪০ হাজাৰ কোটি টকা ধাৰ হওতে সেইজন হিমন্ত বিশ্ব শৰ্মাই অসমক তৰুণ গগৈয়ে বন্ধকত থোৱা বুলি অভিযোগ কৰিছিল। বৰাই কয় হিমন্ত বিশ্ব শৰ্মাই এতিয়া নিজৰ স্বাৰ্থ সুৰক্ষিত কৰি অসম বেচিবলৈ ওলাইছে। অসমৰ ইতিহাসত আজিলৈকে অসমীয়া মহিলাই নিজৰ গাৰ কাপোৰ খুলি প্ৰতিবাদ কৰিবলগীয়া হোৱা নাছিল। এইখন চৰকাৰৰ দিনত অসমৰ মহিলাই অৰ্ধ উলংগ হ'বলৈ বাধ্য হৈছে। গাঁৱত আগতে যুৱকক দুঃশাসনৰ ভাও দিলে বহুতে ভাও ল'বলৈ অস্বীকাৰ কৰিছিল। তেওঁ দ্ৰৌপদীৰ বস্ত্ৰ হৰণ কৰিব কেনেকৈ? গাঁৱত ভাৱমূৰ্তি বেয়া হৈ যাব দুঃশাসনৰ ভাও দিলে। এতিয়া হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ মন্ত্ৰীয়ে আগদিনা কাপোৰ খুলি পেলাম বুলি কয় আৰু পিছদিনা আৰক্ষীৰ নিৰ্যাতনৰ প্ৰতিবাদ কৰিবলৈ মহিলাই কাপোৰ খুলিবলৈ বাধ্য হয়। এইখনেই হিমন্ত বিশ্ব শৰ্মাৰ শান্তি আৰু সমৃদ্ধিৰ চৰকাৰ। ভূমি দখল যদি কোনোবাই কৰিছে তেতিয়াহ'লে বিজেপিয়ে কৰিছে। নদী গৱেষণা কেন্দ্ৰৰ মাটি দখল কৰি বাজপেয়ী ভৱন নিৰ্মাণ কৰিলে আৰু তাত চাকৰিৰ বজাৰ খুলিলে। প্ৰকৃততে দখলদাৰী কোন বুলিও তেওঁ প্ৰশ্ন কৰে। এয়াৰপ'ৰ্টৰ ওচৰৰ ছিলিং ছাৰপ্লাছ মাটি কোনে দখল কৰিলে বুলি প্ৰশ্ন কৰি বৰাই কয় উচ্ছেদ তাত চলিবনে? খিলঞ্জীয়া ভূমিপুত্ৰই জীৱনজুৰি কষ্ট উপাৰ্জিত ধনেৰে নিৰ্মিত ঘৰ আজি ভাঙি দিয়া হৈছে। অসমৰ শিক্ষাবিদসকলক অপমান কৰি বহিঃৰাজ্যৰ পৰা শিক্ষক আমদানি কৰি উপাচাৰ্য নিযুক্তি দিয়া হৈছে। এইখন চৰকাৰৰ দিনত এতিয়া খিলঞ্জীয়াৰ কোনো অধিকাৰ নাই বুলিও তেওঁ অভিযোগ কৰে। ৰাইজক চৰকাৰে কৰা ভুলবোৰক লৈ প্ৰশ্ন কৰিবলৈকো তেওঁ আহ্বান জনায়।

গোপাল শৰ্মা

**গোপাল শৰ্মা**

সাধাৰণ সম্পাদক,

এপিচিচিৰ সংবাদ বিভাগ